**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-11-2024 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জি-২০ শীৰ্ষ সন্মিলনৰ অৱসৰত ফ্ৰান্স, ইটালী, ন'ৰৱে, পৰ্টুগাল আৰু ইণ্ডোনেছিয়াসহ ভালেকেইখন দেশৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই আলোচনাত প্ৰধানমন্ত্ৰীয়ে সংশ্লিষ্ট দেশকেইখনৰ ভাৰতৰ লগত থকা সম্পৰ্ক শক্তিশালী আৰু উন্নত কৰাৰ দিশত গুৰুত্ব দিয়ে।

শ্ৰীমোদীয়ে চলিত বৰ্ষত পেৰিছত অলিম্পিক আৰু পেৰালিম্পিক ক্ৰীড়া সমাৰোহ সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰঁক অভিনন্দন জনায়। দুয়োগৰাকী নেতাই মহাকাশ, শক্তি, কৃত্ৰিম বুদ্ধিমত্তা আৰু ভৱিষ্যতৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন সম্ভাৱনামূলক খণ্ডক লৈ আলোচনা কৰে।

প্ৰধানমন্ত্ৰীয়ে ইটালীৰ প্ৰধানমন্ত্ৰী জিঅ'ৰজিয়া মেল'নিৰ সৈতেও দ্বিপাক্ষিক বৈঠকত মিলিত হয়। এই বৈঠকত উভয় দেশৰ মাজত থকা নিৰাপত্তা, প্ৰতিৰক্ষা, বাণিজ্য আৰু প্ৰযুক্তিৰ সম্পৰ্ক ত্বৰান্বিত কৰাত গুৰুত্ব দিয়া হয়। ভাৰত আৰু ইটালীৰ মাজত সংস্কৃতি, শিক্ষাকে ধৰি বিভিন্ন খণ্ডত সহযোগিতা বৃদ্ধি কৰাৰ বিষয়েও বৈঠকত আলোচনা কৰা হয়।

০০০০০০০

২০৪৭ চনৰ ভিতৰত দেশৰ বন্দৰসমূহৰ বহনক্ষমতা বছৰি ১ কোটি মেট্ৰিকটনলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। কালি নতুন দিল্লীত অনুষ্ঠিত 'সাগৰ মন্থন' শীৰ্ষক আলোচনাচক্ৰত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে বন্দৰৰ ক্ষমতা বৃদ্ধিৰ লগতে আন আভ্যন্তৰীণ জলপথৰ পৰিসৰ বৃদ্ধিৰ বাবে ৮০ লাখ কোটি টকা বিনিয়োগেৰে জল পৰিবহণ খণ্ডত বৈপ্লৱিক পৰিৱৰ্তন অনাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তেওঁ লগতে কয়, যে ভাৰতে ভৱিষ্যতে নিকা ইন্ধনেৰে চলিবপৰা জাহাজ নিৰ্মাণৰ কাম হাতত লৈছে। গ্ৰীচৰ সামুদ্ৰিক পৰিক্ৰমা মন্ত্ৰী ক্ৰিষ্টাছ ষ্টাইলিয়ানাট্ছকে ধৰি প্ৰায় ৬০ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰা এই সাগৰ মন্থন আলোচনাচক্ৰত বন্দৰ পৰিচালনা, সামগ্ৰী পৰিক্ৰমা, জাহাজ নিৰ্মাণ আৰু আইনী সংস্কাৰ আদি বিভিন্ন দিশ আলোচনা কৰা হয়। গ্ৰীচ মন্ত্ৰীগৰাকীৰ সৈতে হোৱা সুকীয়া আলোচনাত দুয়োখন দেশৰ মাজৰ সামুদ্ৰিক বাণিজ্য ২০৩০ চনৰ ভিতৰত দুগুণলৈ বৃদ্ধি কৰিবলৈ দুয়োগৰাকী মন্ত্ৰী সন্মত হয়।

০০০০০০০

ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ পৃষ্ঠ পোষকতাত তথা অসম মৰাণ সভাৰ উদ্যোগত তিনিচুকীয়া জিলাৰ ডুমডুমাৰ ৰজা বদৌচা সমন্বয় ক্ষেত্ৰত আজি আৰু কাইলৈ ২৮৯ সংখ্যক বীৰ ৰাঘৱ মৰাণ দিৱসৰ আয়োজন কৰা হৈছে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মাৰাঠান দৌৰ, চিত্ৰাংকণ, বীৰ ৰাঘৱ মৰাণৰ বিষয়ত ৰচনা প্ৰতিযোগিতা, কবিতা আবৃত্তি, কুইজ, তৰ্ক আদি বিভিন্ন প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। তদুপৰি কৃষি মন্ত্ৰী অতুল বৰা,

সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী বিমল বৰা, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণৰ লগতে সাংসদ ৰামেশ্বৰ তেলীকে ধৰি কেইবাগৰাকীও বিধায়ক উপস্থিত থাকিব। অনুষ্ঠানত লিডু মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপক মৃদুল দহোটিয়াই নিৰ্দিষ্ট বক্তা হিচাপে অংশগ্ৰহণ কৰিব।

ooooo

ভাৰতীয় সংবিধান গ্ৰহণ তথা গণতান্ত্ৰিক দেশ হিচাপে ভাৰতৰ ৭৫ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আইন আৰু ন্যায় মন্ত্ৰালয়ে আই আই টি গুৱাহাটীত আজি **আমাৰ সংবিধান, আমাৰ সন্মান** শীৰ্ষক তৃতীয়টো আঞ্চলিক কাৰ্যসূচীৰ আয়োজন কৰিছে। এই অনুষ্ঠানত আইন আৰু ন্যায় মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী অৰ্জুন ৰাম মেঘৱাল মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণয় উপস্থিত থাকিব। এই অনুষ্ঠানৰ লগত সংগতি ৰাখি ভাৰতীয় সংবিধান সৃষ্টিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা সংবিধানসভাৰ ১৫ গৰাকী মহিলা সদস্যৰ সন্মানাৰ্থে গছ পুলি ৰোপণ কৰা হ'ব। দৈনন্দিন জীৱনত সংবিধানৰ গুৰুত্ব বহন কৰা তথা টেলি আইন আৰু ন্যায়বন্ধু কাৰ্যসূচীৰ সৈতে জড়িত অংশীদাৰ আৰু ক্ষেত্ৰীয় কৰ্মীসকলৰ অভিজ্ঞতাক সামৰি ৭৫টা গল্প সম্বলিত **সংবিধান কথা** শীৰ্ষক এখন আলোচনীও উন্মোচন কৰা হ'ব। ইয়াৰ লগতে টেলি আইন আৰু ন্যায়বন্ধু কাৰ্যসূচীৰ জৰিয়তে সাংবিধানিক অধিকাৰ সুৰক্ষিত কৰা ১০ গৰাকী হিতাধিকাৰীৰ বাস্তৱ জীৱনৰ কাহিনীৰে সমৃদ্ধ এখন চিত্ৰ সম্বলিত কিতাপ উন্মোচন কৰা হ'ব।

ooooo

ঝাৰখণ্ড বিধানসভা নিৰ্বাচনৰ কাইলৈ দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ কৰা হ'ব। এই পৰ্যায়ত ১২ খন জিলাৰ ৩৮টা সমষ্টি সামৰি লোৱা হ'ব। এইবাৰ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হেমন্ত চোৰেন বাৰহাইট সমষ্টিৰ পৰা অৱতীৰ্ণ হৈছে। ইপিনে, ৰাজ্যখনৰ বিজেপিৰ মুৰববী বাবুলাল মাৰাণ্ডিয়ে ধানৱাৰ আসনৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। মুখ্যমন্ত্ৰীৰ পত্নী কল্পনা চোৰেনক গাণ্ডেক আৰু ভাতৃ বসন্ত চোৰেনক ডুমকা সমষ্টিত প্ৰক্ষেপ কৰা হৈছে। এই পৰ্যায়ত ১ কোটি ২৩ লাখতকৈও অধিক ভোটদাতাই ৫৫ গৰাকী মহিলাকে ধৰি মুঠ ৫২৮ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ ১২ খন জিলাৰ ১৪ হাজাৰ ২১৮টা ভোটগ্ৰহণ কেন্দ্ৰক সাজু কৰি তোলা হৈছে। ৰাজ্যখনৰ নিকা আৰু শান্তিপূৰ্ণ নিৰ্বাচন সুনিশ্চিত কৰাৰ স্বাৰ্থত কেন্দ্ৰীয় অৰ্ধসামৰিক বাহিনীৰ ৬০০ কোম্পানী মোতায়েন কৰা হৈছে। উল্লেখযোগ্য যে ২৩ নৱেম্বৰত নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

ooooooo

ভাৰত আৰু মালয়েছিয়াৰ মাজত কালি হায়দৰাবাদৰ গাচিবৌলি ষ্টেডিয়ামত অনুষ্ঠিত ফিফা আন্তঃৰাষ্ট্ৰীয় প্ৰীতি খেলখন ১-১ গলত ড্ৰ হয়। মালয়েছিয়াৰ হৈ খেলখনৰ ১৯ সংখ্যক মিনিটত পাউল জ'ছোৱে গল দিয়াৰ বিপৰীতে ঘৰুৱা দলটোৰ হৈ ৰাহুল ভেকেইয়ে ৩৯ সংখ্যক মিনিটত গ'ল দিয়ে। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ব্ৰেণ্ডন ফাৰ্ণাণ্ডেজক প্লেয়াৰ অৱ দা মেচ সন্মান প্ৰদৰ্শন কৰা হয়।

oooooo

**সমাপ্ত**